নং চি.ডি.পি.অ (জে) ২০২১-২২/৭/৬২৬ তাং : ১০/০৩/২০২২

# বিজ্ঞাপন

অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ সঞ্চালক মহোদয়ৰ নিৰ্দেশ অনুসৰি ইয়াৰ দ্বাৰা যোৰহাট (গ্ৰাম্য) সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হ'ল যে এই প্ৰকল্পত তলত উল্লেখ কৰা অঙ্গনবাদী কেন্দ্ৰ সমূহত অঃ কৰ্মী /অঃ সহায়িকা আৰু মিনি অঃ কৰ্মী পদ খালী হৈ আছে। পূৰ্বে অনুমোদিত এই পদ সমূহত অঙ্গনবাদী কৰ্মী / মিনি অঙ্গনবাদী কৰ্মী আৰু সহায়িকা পদত নিয়োগৰ বাবে স্থানীয় ইচ্ছুক মহিলাৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে। উক্ত আবেদন অহা ইং ২১/৩/২০২২ তাৰিখৰ ভিতৰত নিম্ন স্বাক্ষৰকাৰীৰ কাৰ্যালয়ত জমা দিব পাৰিব। সাক্ষাৎকাৰৰ তাৰিখ আৰু স্থান পৰৱৰ্তী সময়ত কাৰ্যালয়ত ঘোষণা কৰা হ'ব।

| ক্ৰঃ নং | অঙ্গনবাদী কেন্দ্ৰৰ নাম | খালী পদৰ নাম | গাঁও পঞ্চায়তৰ নং |
|---|---|---|---|
| ১ | ১২৭ নং নিউ সোণোৱাল | অঙ্গনবাদী কৰ্মী | ৬১ নং |
| ২ | ১২৩ নং গড়মূৰীয়া (ক) | অঙ্গনবাদী কৰ্মী | ৬১ নং |
| ৩ | ১২ নং বলিয়া গোহাঁই | অঙ্গনবাদী কৰ্মী | ৫১ নং |
| ৪ | ৪৬ নং কুমাৰ গাঁও | অঙ্গনবাদী সহায়িকা | ৫৩ নং |
| ৫ | ১৭৭ নং সদৰ | অঙ্গনবাদী সহায়িকা | ৫৪ নং |
| ৬ | ২১২ নং দহোটীয়া ২নং | অঙ্গনবাদী সহায়িকা | ৭০ নং |
| ৭ | ৪১ নং চৰাইবাহী মুছলিম গাঁও | অঙ্গনবাদী সহায়িকা | ৫০ নং |
| ৮ | ১৭ নং চেকনীধৰা | অঙ্গনবাদী সহায়িকা | ৫১ নং |
| ৯ | ১৯ নং উজনি বাঘমুৰীয়া | অঙ্গনবাদী সহায়িকা | ৫২ নং |

**আবেদনৰ নিয়মাৱলী সমূহ ঃ**

১) অঙ্গনবাদী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকা পদৰ আবেদনৰ প্ৰাৰ্থী গৰাকী উল্লিখিত অঙ্গনবাদী কেন্দ্ৰৰ জৰীপ এলেকাৰ ভিতৰৰ স্থানীয় বাসিন্দা হ'ব লাগিব।

২) মিনি অঙ্গনবাদী কেন্দ্ৰ অঙ্গনবাদী কেন্দ্ৰৰ বাবেও প্ৰাৰ্থী কেন্দ্ৰৰ জৰীপ এলেকাৰ স্থানীয় বাসিন্দা হ'ব লাগিব।

৩) প্ৰাৰ্থীৰ বয়স ০১-০১-২০২২ তাৰিখত ১৮ বছৰৰ পৰা ৪৪ বছৰ হ'ব লাগিব।

৪) অঙ্গনবাদী কেন্দ্ৰৰ কৰ্মী/মিনি অঃ কৰ্মী পদৰ বাবে শিক্ষাগত অৰ্হতা কমেও উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব আৰু অসম চৰকাৰৰ অধীনৰ অসম মাধ্যমিক শিক্ষা পৰিষদ বা অন্যান্য বৰ্ড বা সংসদৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব। যদি উক্ত এলেকাত উচ্চতৰ মাধ্যমিক (H.S) পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থী নাথাকে তেতিয়া H.S.L.C./AHM পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীয়েও আবেদন কৰিব পাৰিব।

৫) অঙ্গনবাদী সহায়িকা পদৰ বাবে প্ৰাৰ্থী H.S.L.C./AHM পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব। যদি সেই এলেকাত কোনো H.S.L.C./AHM প্ৰাৰ্থী নাথাকে তেতিয়া প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতা Class IX পাছ/উত্তীৰ্ণ হ'লেও হ'ব। এনেক্ষেত্ৰত শিক্ষাগত প্ৰমাণ পত্ৰত স্কুল কৰ্তৃপক্ষৰ আৰু Inspector of School ৰ স্বাক্ষৰ থাকিব লাগিব।

৬) অঙ্গনবাদী কেন্দ্ৰৰ অঙ্গনবাদী কৰ্মী/মিনি অঃ কৰ্মী আৰু সহায়িকা পদৰ প্ৰাৰ্থী কেন্দ্ৰ এলেকাৰ স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ গাঁঠি দিব লাগিব। এই প্ৰমাণ পত্ৰ সংশ্লিষ্ট গাঁওবুঢ়া/পঞ্চায়ত সচিব/সভাপতি/সদস্যৰ পৰা ল'ব লাগিব। উল্লেখ থাকিল যে এই স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ প্ৰকল্প এলেকাৰ মুখ্যসেৱিকাই পুংখানুপুংখভাৱে পৰীক্ষা কৰি সত্যতাৰ প্ৰমাণ দিব লাগিব।

৭) নৃত্য-গীত, খেলা-ধূলা তথা চিকিৎসা সেৱাৰ লগত জড়িত প্ৰশিক্ষণ প্ৰাপ্ত মহিলাক অগ্ৰাধিকাৰ দিয়া হ'ব।

৮) নিযুক্তি পোৱা অঙ্গনবাদী কৰ্মী/মিনি অঃ কৰ্মী আৰু সহায়িকাক বিভাগৰ নিৰ্দ্ধাৰণ কৰি দিয়া নিৰিখত পাৰিতোষিক দিয়া হ'ব।

৯) নিয়োগৰ ক্ষেত্ৰত বাছনি কমিটীৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

**স্বাক্ষৰ/- শিশু উন্নয়ন প্ৰকল্প বিষয়া**

**যোৰহাট (গ্ৰাম্য) সংহত শিশু উন্নয়ন প্ৰকল্প**

Janasanyog/D/17241/21